অসম গণিত শিক্ষায়তন
ASSAM ACADEMY OF MATHEMATICS
(Regd. Under Society Registration Act. XXI of 1860, Regd. No. 4097 of 1990-91)
Temporary Office : Birina Path, Bye-lane No. 4, House No. 8
P. O. : Saukuchi, Near Hocky Stadium, Guwahati-781 040
website : www.aamonline.org.in
Estd. 1986

Ref. No. ................. Date : ১০-০২-২০২২

# শ্ৰদ্ধাঞ্জলি

## অধ্যাপক নন্দ ৰাম দাসদেৱলৈ



গুৱাহাটী বিশ্ববিদ্যালয়ৰ গণিত বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক আৰু অসম গণিত শিক্ষায়তনৰ প্ৰাক্তন সভাপতি অধ্যাপক নন্দ ৰাম দাসদেৱৰ যোৱা ৮ ফেব্ৰুৱাৰী, ২০২২ তাৰিখ মংগলবাৰে আবেলি ৩ বজাত গুৱাহাটীৰ ৰহমান হস্পিতালত পৰলোকপ্ৰাপ্তি ঘটে। ১৯৪৭ চনৰ ৭ জুলাইত শুৱালকুছিত জন্মগ্ৰহণ কৰা দাসদেৱে কটন মহাবিদ্যালয়ৰ পৰা প্ৰাক-বিশ্ববিদ্যালয়ত উত্তীৰ্ণ হৈ আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰে। তাৰপাছত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লৈ আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ত অধ্যাপনা আৰম্ভ কৰে। আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ত অধ্যাপনা কৰি থকা সময়ত তেওঁ আইআইটি কানপুৰৰ পৰা বিশুদ্ধ গণিতত ডক্টৰেট ডিগ্ৰী লয় (১৯৮২ চন)। তাৰপাছত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ গণিত বিভাগত অধ্যাপনা কৰে। তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ গণিত বিভাগৰ মুৰব্বী অধ্যাপক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল আৰু সেই বিভাগৰ পৰাই চাকৰি-জীৱনৰ অৱসৰ গ্ৰহণ কৰিছিল। তেওঁৰ তত্ত্বাৱধানত বহুকেইজন ছাত্ৰ-ছাত্ৰীয়ে পিএইছডি ডিগ্ৰী লাভ কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ত অধ্যাপনা কৰি থকা সময়তে তেওঁ অসম গণিত শিক্ষায়তনৰ সাধাৰণ সম্পাদক আৰু পৰৱৰ্তী সময়ত সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰে। অসম গণিত শিক্ষায়তনৰ বিভিন্ন কাৰ্যসূচীৰ ভিতৰত বিশেষকৈ গণিত অলিম্পিয়াডক ছাত্ৰ-ছাত্ৰীৰ মাজত অধিক জনপ্ৰিয় কৰি অসম গণিত শিক্ষায়তনক এটা নতুন মাত্ৰা প্ৰদান কৰিছিল। তেওঁৰ কাৰ্যকালত গণিত বিষয়ক কেইবাখনো গ্ৰন্থ প্ৰণয়ন কৰি থৈ গৈছে। তেওঁৰ মৃত্যুত অসমে এগৰাকী গণিতজ্ঞক হেৰুৱালে আৰু অসম গণিত শিক্ষায়তনে হেৰুৱালে এজন অভিভাৱক। অসম গণিত শিক্ষায়তনৰ তৰফৰ পৰা আমি প্ৰয়াত দাসদেৱৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি আৰু পৰিয়াল-বৰ্গলৈ সমবেদনা জ্ঞাপন কৰিলোঁ।

**ড° জ্ঞানজ্যোতি শৰ্মা**
*সাধাৰণ সম্পাদক, অসম গণিত শিক্ষায়তন*